# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-11-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - -**

মহাৰাষ্ট্ৰৰ একক পৰ্যায়ৰ আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ আজি বিয়লি সামৰণি পৰিছে। ঝাৰখণ্ডৰ নক্সাল অধ্যুষিত আৰু অতি স্পৰ্শকাতৰ বুলি চিহ্নিত ৩১টা ভোটকেন্দ্ৰত অৱশ্যে আবেলি ৪ বজাতে ভোটগ্ৰহণৰ সামৰণি পৰে। শেহতীয়া তথ্য অনুসৰি ঝাৰখণ্ডত ৬৭ দশমিক ৫-৯ শতাংশ আৰু মহাৰাষ্ট্ৰত ৫৮ দশমিক ২-২ শতাংশ ভোটদান হয়। অৱশ্যে ভোটগ্ৰহণৰ প্ৰকৃত হাৰ ভোটকেন্দ্ৰসমূহৰ পৰা অহা তথ্যৰ ভিত্তিত নিশাৰ ভাগলৈ নিৰ্বাচন আয়োগে প্ৰকাশ কৰিব।

আজি মহাৰাষ্ট্ৰৰ নাণ্ডেড় লোকসভা সমষ্টি, পাঞ্জাব, উত্তৰ প্ৰদেশ, কেৰালা আৰু উত্তৰাখণ্ডৰ ১৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণো অনুষ্ঠিত হয়। মহাৰাষ্ট্ৰৰ ২৮৮টা বিধানসভা সমষ্টিৰ বাবে মুঠ ৪ হাজাৰ ১৩৬ গৰাকী প্ৰতিদ্বন্দ্বী নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। ইয়াৰ ভিতৰত ২ হাজাৰ ৮৬ গৰাকী নিৰ্দলীয় প্ৰাৰ্থী আছে। বিজেপিয়ে ১৪৯টা সমষ্টিত, শিৱসেনাৰ একনাথ সিন্দে গোটে ৮১টা সমষ্টিত আৰু এন চি পিৰ অজিত পাৱাৰ গোটে ৫৯টা সমষ্টিত প্ৰাৰ্থী দিছে। আনহাতে কংগ্ৰেছে ১০১টা সমষ্টিত, উদ্ধৱ থাকৰে নেতৃত্বাধীন শিৱসেনাই ৯৫টা সমষ্টিত আৰু এন চি পিৰ শাৰদ পাৱাৰ গোটে ৮৬টা সমষ্টিত প্ৰাৰ্থী ঠিয় কৰাইছে।

আজি ভোটদান কৰা বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত ভাৰতৰত্ন শচীন তেণ্ডুলকাৰ, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দে, উপ-মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাৱিছ, চলচ্চিত্ৰ অভিনেতা অক্ষয় কুমাৰ, হেমা মালিনী, ৰাজ কুমাৰ ৰাও, চলচ্চিত্ৰ পৰিচালক ৰাকেশ ৰৌছন, জয়া এহ্ছান আদিও আছিল।

ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত আজি ১২ খন জিলাৰ ৩৮টা সমষ্টিত ভোটগ্ৰহণ কৰা হয়। আজি নিৰ্বাচনী ভাগ্য নিৰূপণ হ'বলগীয়া উল্লেখযোগ্য প্ৰাৰ্থীসকলৰ ভিতৰত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেন, বিজেপিৰ ৰাজ্যিক সভাপতি বাবুলাল মাৰাণ্ডি, বিধানসভাৰ অধ্যক্ষ ৰবীন্দ্ৰ নাথ মাহাতো বিধানসভাত বিৰোধী পক্ষৰ নেতা অমৰনাথ কুমাৰ বৌৰি, এ জে এছ ইউৰ সভাপতি সুদেশ কুমাৰ মাহাতো, ৰাজ্যিক মন্ত্ৰী ইৰফান আনচাৰি, হাফিজুল হাচান, দীপিকা পাণ্ডে সিং আৰু মুখ্যমন্ত্ৰীৰ পত্নী কল্পনা চোৰেণো আছে।

ভোটগ্ৰহণ প্ৰায় শান্তিপূৰ্ণভাৱে সমাপ্ত হৈছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

ooooo

বীৰ ৰাঘৱ মৰাণৰ ২৮৯ সংখ্যক জয়ন্তীৰ দুদিনীয়া কাৰ্যসূচীৰ আজি সামৰণি পৰিছে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত তিনিচুকীয়া জিলাৰ কাকপথাৰত আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত আজি বীৰগৰাকীৰ জীৱনগাঁথাক লৈ প্ৰকাশ কৰা স্মৰণিকা- বীৰ ৰাঘৱ উন্মোচন কৰে ডুমডুমা মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ অধ্যাপক ড০ প্ৰাণজিৎ শইকীয়াই। ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, ৰাজ্যৰ শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকল- বলীন চেতীয়া, সুৰেন ফুকন, ৰূপেশ গোৱালা, ঋতুপৰ্ণ বৰুৱাকে ধৰি ভালেকেইগৰাকী বিশিষ্ট

ব্যক্তি উপস্থিত থকা এই অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ আৰু জাহাজ পৰিবহণ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। তেওঁৰ ভাষণত সোণোৱালে এইদৰে কয়-

**বাইট (সৰ্বানন্দ সোণোৱাল)**

০০০০০

৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ আজি গোৱাৰ পানাজীত আৰম্ভ হৈছে। অষ্ট্ৰেলিয়াৰ ছবি নিৰ্মাতা মাৰ্কেল গ্ৰেচিৰ ছবি দ্যা বেটাৰমেনৰ প্ৰদৰ্শনৰে এইবাৰৰ মহোৎসৱৰ ছবি প্ৰদৰ্শন আৰম্ভ হয়। আজি বিয়লি ৫ বজাত পানাজীৰ শ্যামাপ্ৰসাদ মুখাৰ্জী ষ্টেডিয়ামত জাকজমকতাপূৰ্ণ অনুষ্ঠানৰ মাজেৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰা হৈছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়, ৰাষ্ট্ৰীয় চলচ্চিত্ৰ উন্নয়ন নিগম-এন এফ ডি চি আৰু গোৱা চৰকাৰৰ অধীনস্থ গোৱা বিনোদন চ'ছাইটিৰ উদ্যোগত আয়োজিত এই চলচ্চিত্ৰ মহোৎসৱৰ মূল শাখাত এইবাৰ মুঠ ২৭০খন ছবি প্ৰদৰ্শিত হ'ব। বিভিন্ন শিতানত এইবাৰ প্ৰায় ৪০০ ছবি প্ৰদৰ্শিত হ'ব। ইয়াৰ ভিতৰত বিশ্বৰ ৮১খন দেশক প্ৰতিনিধিত্ব কৰা ১৮০খন বিদেশী ছবি আছে। এইবাৰৰ মহোৎসৱত অষ্ট্ৰেলিয়াক মূল দেশৰূপে স্বীকৃতি দিয়া হৈছে আৰু অষ্ট্ৰেলিয়াৰ কিংবদন্তি ছবি নিৰ্দেশক ফিলিপ ন'য়ছক এই মহোৎসৱতে সন্মানীয় সত্যজিৎ ৰায় জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হ'ব। চলচ্চিত্ৰ মহোৎসৱৰ মূল আকৰ্ষণ আন্তৰ্জাতিক ছবিৰ প্ৰতিযোগিতা শাখাত বিভিন্ন দেশৰ ১৫খন ছবিক অন্তৰ্ভুক্ত কৰা হৈছে। সৰ্বশ্ৰেষ্ঠ বিবেচিত হোৱা ছবিখনক গল্ডেন পিকক আৰু নগদ ৪০ লাখ টকাৰে পুৰস্কৃত কৰা হ'ব। ইণ্ডিয়ান পেনৰামা শাখাত অন্তৰ্ভুক্ত ছবিৰ ভিতৰত হিন্দী ছবি স্বতন্ত্ৰ বীৰ চাভাৰকাৰ, লাডাখী ছবি ঘৰ জেচা কুছ, আৰ্টিক'ল থ্ৰি ছেভেনৰ্ণ্টি, টুৱেল্‌ভ ফেইলও আছে। আনহাতে, আই চি এছ পি ইউনেস্কো শাখাত অসমীয়া ছবি জুইফুল, বাংলা ছবি আমাৰ বছ আৰু হিন্দী ছবি শ্ৰীকান্ত অন্তৰ্ভুক্ত হৈছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত প্ৰতিদিনৰ বা-বাতৰি বিস্তৃতভাৱে প্ৰচাৰ কৰাৰ ব্যৱস্থা লৈছে। মহোৎসৱৰ আজিৰ অনুষ্ঠান সম্পৰ্কত বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদে গোৱাৰ পৰা পঠিওৱা পোনপটীয়া প্ৰতিবেদন কাইলৈ পুৱা ৯ বজাৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

০০০০০

সমাপ্ত